# অসমীয়া প্ৰতিদিন

অসমীয়া প্ৰতিদিন ■ গুৱাহাটী ■ বৃহস্পতিবাৰ, ৮ আগষ্ট, ২০১৯/২২ শাওণ, ১৯৪১ শক


## ধেমাজিৰ সন্মিলিত প্ৰয়াসৰ উদ্যোগ

# চিলাপথাৰত 'কিতাপ পঢ়ো আহক' শীৰ্ষক কাৰ্যসূচী



প্ৰতিদিন সেৱা, চিলাপথাৰ, ৭ আগষ্ট ঃ সমগ্ৰ অসমত কিতাপ পঢ়াৰ এক আন্দোলন গঢ়াৰ বাবে অসম ডাউন টাউন বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° অমৰজ্যোতি চৌধুৰীয়ে জনোৱা এক আবেদনৰ প্ৰতি সঁহাৰি জনাই ৪ আগষ্টত সন্মিলিত প্ৰয়াস, ধেমাজিৰ বুক ডিপোৱে চিলাপথাৰ মহাবিদ্যালয়, চিলাপথাৰ বিজ্ঞান মহাবিদ্যালয়, শংকৰদেৱ শিশু নিকেতন আৰু সূৰ্যোদয় আদৰ্শ উচ্চ মাধ্যমিক বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলক গ্ৰন্থৰ প্ৰতি অনুৰাগ বৃদ্ধি কৰিবৰ বাবে 'কিতাপ পঢ়াৰ আন্দোলনৰ অংশীদাৰ হওঁ আহক, পুথিভঁৰাললৈ যাওঁ আহক, বৌদ্ধিক আন্দোলনেহে সমাজক দিব সুস্থ উত্তৰণ' শীৰ্ষক কাৰ্যসূচী ৰূপায়ণ কৰে। চিলাপথাৰ মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰত সন্মিলিত প্ৰয়াস, ধেমাজিৰ সহযোগত ৰূপায়ণ কৰা অনুষ্ঠানটোত মহাবিদ্যালয়ৰ ইংৰাজী বিভাগৰ জ্যেষ্ঠ অধ্যাপক ড° জয়ৰাম ঝা, সহকাৰী অধ্যাপক প্ৰাঞ্জল দাস আৰু গ্ৰন্থাগাৰিক সুনীল টাইড উপস্থিত থাকে। আনহাতে চিলাপথাৰৰ বিজ্ঞান মহাবিদ্যালয়ত অনুষ্ঠিত কাৰ্যসূচীত অধ্যক্ষ ড° ৰঞ্জিত শইকীয়া, প্ৰবক্তা ক্ৰমে তৃষ্ণা শইকীয়া আৰু জোনটি সোণোৱাল, গ্ৰন্থাগাৰিক ড° ৰবীন ফুকন আৰু গ্ৰন্থাগাৰৰ কৰ্মচাৰী হিমাশ্ৰী গগৈ উপস্থিত থাকে। ইফালে চোমনিস্থিত সূৰ্যোদয় আদৰ্শ হাইস্কুলৰ উদ্যোগত আৰু ধেমাজিৰ সন্মিলিত প্ৰয়াসৰ সহযোগত বিদ্যালয়ৰ প্ৰেক্ষাগৃহত ৰূপায়িত কাৰ্যসূচীত নিৰ্ধাৰিত বিষয়বস্তুৰ ওপৰত প্ৰয়াসৰ অন্যতম উদ্যোক্তা ডম্বৰু দিহিঙীয়া আৰু বিদ্যালয়ৰ প্ৰধান শিক্ষক টিপেশ্বৰ চুতীয়াই ছাত্ৰ-ছাত্ৰী আৰু শিক্ষকসকলৰ সৈতে বৌদ্ধিক আলোচনাত মিলিত হোৱাৰ পূৰ্বে সন্মিলিত প্ৰয়াস, ধেমাজি বুক ডিপোৰ লক্ষ্য, উদ্দেশ্য আৰু আদৰ্শৰ বিষয়ে নয়নমণি মহন্তই বক্তব্য দাঙি ধৰে। কাৰ্যসূচীত ছাত্ৰী লক্ষ্মীপ্ৰভা শইকীয়া আৰু জিতু চুতীয়াই গীত পৰিবেশন কৰে।

Scanned with CamScanner